সংঘমিত্ৰা ঘোষ

বনাম

কাজল কুমাৰ ঘোষ

নৱেম্বৰ ২০, ২০০৬

[ ন্যায়াধীশ জি. পি. মাথুৰ আৰু দলবীৰ ভাণ্ডাৰী]

হিন্দু আইন:

হিন্দু বিবাহ অধিনিয়মম, ১৯৫৫, ধাৰা ৯:

*এগৰাকী পত্নীক তেওঁৰ স্বামী আৰু স্বামীৰ পৰিয়ালে নিৰ্যাতন কৰিছিল --- তেওঁক তেওঁৰ নাবালক সন্তানৰ সৈতে বৈবাহিক গৃহৰ পৰা খেদি* পঠিওৱা হৈছিল --- *ফৌজদাৰী গোচৰ --- তেওঁৰ স্বামীয়ে জিলা ন্যায়ালয়ত দাম্পত্য অধিকাৰ পুনৰুদ্ধাৰৰ বাবে এখন আবেদন দাখিল কৰে --- পত্নীগৰাকীয়ে এখন স্থানান্তৰ আবেদন দাখিল কৰে আৰু পিছত চৰ্তাৱালীযুক্ত সমিল-মিল গঠন কৰি বিবাহ-বিচ্ছেদৰ* আজ্ঞপ্তি *এখন মঞ্জুৰ কৰাৰ হেতু স্বামীৰ সৈতে এখন যৌথ আবেদন দাখিল কৰে --- ৰায় প্ৰদান কৰা হয় ---বৈবাহিক সম্পৰ্ক এনেকুৱাভাৱে বেয়া হৈ গৈছে যে তাক পুনৰুদ্ধাৰ কৰাটো আশাৰ বাহিৰত --- পৰিস্থিতিৰ ভিত্তিত, বিবাহখন ক্ৰুটিযুক্ত হৈ নাশ হোৱাৰ বাবে আইনগত ভাবে সমাপ্ত হোৱা বুলি ঘোষণা কৰাটো উপযুক্ত --- পক্ষসমূহৰ মাজত বিচাৰাধীন হৈ থকা সকলো মোকৰ্দমা নিষ্পত্তি কৰা*

*হয় আৰু দুয়োপক্ষ আৰু তেওঁলোকৰ নাবালক পুত্ৰৰ স্বাৰ্থৰ হকে পক্ষসমূহৰ মাজত চলা মামলাৰ অন্ত পেলোৱা হয় --- নিৰ্দেশনা জাৰি কৰা হয়।*

*ভাৰতীয় সংবিধান, ১৯৫০; অনুচ্ছেদ ১৪২:*

*বৈবাহিক বিষয়সমূহ ---বিশেষ ক্ষেত্ৰাধিকাৰৰ প্ৰয়োগ --- ৰায় প্ৰদান কৰা হয়: সম্পূৰ্ণ ন্যায় প্ৰতিষ্ঠা হ'লে উচ্চতম ন্যায়ালয়ে বৈবাহিক বিষয়সমূহত সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিব পাৰিলেহেঁতেন।*

**আবেদনকাৰীৰ বিবাহ হিন্দু ৰীতি-নীতি তথা পৰম্পৰা অনুসৰি প্ৰতিবাদীৰ সৈতে সম্পন্ন কৰা হৈছিল আৰু বিবাহ পঞ্জীয়কৰ ওচৰত যথাযথভাবে পঞ্জীয়ন কৰা হৈছিল। বিবাহৰ জৰিয়তে এটা পুত্ৰ সন্তানৰ জন্ম হৈছিল কিন্তু, পক্ষসমূহৰ বৈবাহিক জীৱন মসৃণ নাছিল। আবেদনকাৰীয়ে অভিযোগ কৰিছিল যে তেওঁৰ স্বামী আৰু স্বামীৰ পিতৃ-মাতৃয়ে তেওঁৰ ওপৰত শাৰীৰিক আৰু মানসিক ভাৱে নিৰ্যাতন চলাইছিল, আৰু অৱশেষত তেওঁক তেওঁৰ নাবালক সন্তানৰ সৈতে বৈবাহিক গৃহৰ পৰা খেদি পঠিওৱা হৈছিল। তাৰপিছত, আবেদনকাৰী তেওঁৰ পিতৃ-মাতৃৰ ঘৰলৈ গৈছিল আৰু তেওঁলোকৰ লগত বাস কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰতিপক্ষই কেতিয়াও আবেদনকাৰী আৰু তেওঁৰ সন্তানৰ বিষয়ে সোধাপোছা কৰাত গুৰুত্ব আৰোপ কৰা নাছিল আৰু আবেদনকাৰী বা তেওঁৰ সন্তানৰ ভৰণ-পোষণৰ বাবেও কেতিয়াও কোনো টকা পইচা পঠোৱা নাছিল। এনে পৰিস্থিতিৰ সন্মুখীন হৈ, তেওঁ যৌতুক নিষেধাজ্ঞা অধিনিয়মৰ ৩ আৰু ৪ নং ধাৰাৰ লগতে ভাৰতীয় দণ্ডবিধিৰ ৪৯৮-এ ধাৰাৰ অধীনত এক অপৰাধমূলক অভিযোগ দাখিল কৰিবলৈ বাধ্য হৈছিল। তেওঁ**

সম্পূৰ্ণৰূপে দেউতাকৰ ওপৰত নিৰ্ভৰশীল আছিল, যিজন নিজেই বয়সত বহুত বৃদ্ধ আছিল আৰু কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল আৰু তেওঁৰ চিকিৎসাৰ বাবে যথেষ্ট পৰিমাণে ধন খৰছ কৰিবলগীয়া হৈছিল। এনেবোৰ পৰিস্থিতিত, নিজৰ আৰু সন্তানৰ ৰক্ষণাবেক্ষণৰ স্বাৰ্থত তেওঁ সামান্য দৰমহাত বেংকত এটা ক্ষুদ্ৰ চাকৰি লৈছিল। যি কি নহওঁক, তেওঁক বাংগালুৰলৈ বদলি কৰা হৈছিল, যাৰ ফলত পশ্চিম বংগৰ আদালতৰ কাৰ্য্যবিধিত উপস্থিত থাকিবলৈ তেওঁৰ বাবে অত্যন্ত কঠিন হৈ পৰিছিল। সেয়েহে, আবেদনকাৰীয়ে স্বামীয়ে দাখিল কৰা আৰু বৰচাটৰ জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকা বৈবাহিক মোকৰ্দমাটো বাংগালুৰৰ যোগ্য ন্যায়িক আদালতলৈ হস্তান্তৰ কৰিবৰ কাৰণে প্ৰাৰ্থনা জনাই বদলিৰ আৱেদন দাখিল কৰিছিল। এই আৱেদন বিচাৰাধীন হৈ থকাৰ সময়চোৱাত, আদালতে বুজাই দিয়াৰ পিছতো, পক্ষসমূহে তেওঁলোকৰ মাজৰ মতানৈক্য সমাধান কৰিব পৰা নাই আৰু পৃথকে পৃথকে জীৱন নিৰ্বাহ কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ মাজতে, দুয়োপক্ষই মোকৰ্দমাৰ বিশেষত্বপূৰ্ণ তথ্য আৰু পৰিস্থিতিত এই আদালতে পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ-বিচ্ছেদৰ এক আজ্ঞপ্তি প্ৰদান কৰাৰ প্ৰাৰ্থনা জনায়। তাৰ সন্দৰ্ভত, পক্ষদুটাই যৌথ আৱেদন দাখিল কৰিছে, য'ত আপোচৰ চৰ্ত সমূহ উল্লেখ কৰা হৈছে। প্ৰতিপক্ষ-স্বামীয়ে অতিৰিক্ত শপতনামা দাখিল কৰিছিল য'ত পক্ষসমূহৰ মাজত অন্তৰ্নিহিত হৈ চলি থকা বিষয়সমূহৰ বিশদ বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে।

এই আৱেদন নিষ্পত্তি কৰি ন্যায়ালয়েৰায় প্ৰদান কৰে যে,

**: ১/ বৈবাহিক বিষয়ত সম্পূৰ্ণ ন্যায় প্ৰতিষ্ঠা কৰিবলৈ এই আদালতে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত নিজৰ বিশেষ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত অলোপো দ্বিধাবোধ কৰা নাই। উক্ত মোকৰ্দমাৰ বিশেষত্বপূৰ্ণ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত এই আদালতৰ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰাটো উচিত। [১৬৫-চি-ডি]**

*হৰপ্ৰীত সিং আনন্দ বনাম পশ্চিম বংগ ৰাজ্য,* **[২০০৪] ১০ এছ চি চি ৫০৫**; *কাঞ্চন দেৱী বনাম প্ৰমোদ কুমাৰ মিত্তন আৰু অন্যান্য,* **[১৯৯৬] ৮ এছ চি চি ৯০** *আৰু অশোক হুৰা বনাম ৰূপা বিপিন জাভেৰি ইত্যাদি,* **[১৯৯৭] ৪ এছ চি চি ২২৬**, *গোচৰৰ সমূহত দিয়া ৰায়ৰ ওপৰত আস্থা প্ৰকাশ কৰা হৈছে।*

**২.১/ উক্ত মোকৰ্দমাত এই আদালত সম্পূৰ্ণৰূপে নিশ্চিত যে স্বভাৱৰ বিসংগতিৰ ফলত পক্ষসমূহৰ মাজৰ বিবাহ পুনৰুদ্ধাৰ কৰিব নোৱাৰাকৈ ভংগ হৈছে। আনকি বিবাহ খনত আবেগিক তলৰ স্তৰো সম্পূৰ্ণৰূপে নোহোৱা হৈ গৈছে। পক্ষসমূহৰ মাজৰ বৈবাহিক বন্ধন মেৰামতিৰ বাহিৰত। পক্ষদুটাৰ মাজত সম্পন্ন হোৱা বিবাহ কেৱল নামমাত্ৰহে । বিবাহখন উদ্ধাৰ কৰিব পৰা আশাৰ বাহিৰত ধ্বংস হৈ গৈছে, সেয়েহে, জনস্বাৰ্থ আৰু সংশ্লিষ্ট সকলোৰে স্বাৰ্থ হৈছে সত্যটোক স্বীকৃতি দিয়া আৰু যি ইতিমধ্যে দোষযুক্ত হৈ অন্ত হৈছে তাক আইনগতভাৱে সমাপ্ত হোৱা বুলি ঘোষণা কৰা। [১৬৭-ডি-ই-এফ]**

*স্বাতী বৰ্মা বনাম ৰাজন বৰ্মা আৰু অন্যান্য,* **[২০০৪] ১ এছ চি চি ১২৩**; *মাধুৰী মেহতা বনাম মীত বৰ্মা,* **[১৯৯৭] ১১ এছ চি চি ৮১**; *অনিতা সবৰৱাল বনাম অনিল*

*সবৰৱাল,* **[১৯৯৭] ১১ এছ চি চি ৪৯০** *আৰু নবীন কোহলি বনাম নীলু কোহলি,* **[২০০৬] ৪ এছ চি চি ৫৫৮,** *গোচৰৰ সমূহত দিয়া ৰায়ৰ ওপৰত আস্থা প্ৰকাশ কৰা হৈছে।*

**২.২/ ভৱিষ্যতে যাতে পক্ষসমূহে শান্তিপূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে , তাৰ বাবে পক্ষসমূহৰ মাজত বিচাৰাধীন হৈ থকা সকলো মোকৰ্দমাৰ নিষ্পত্তি কৰিবলৈ নিৰ্দেশ দিয়াটো অতি প্ৰয়োজনীয় হৈ পৰিছে। যদিহে বিচাৰাধীন হৈ থকা সকলো মোকৰ্দমাৰ নিষ্পত্তি কৰা নহয় আৰু পক্ষসমূহৰ মাজৰ মামলাৰ কোনো অন্ত পেলোৱা নহয়, তেন্তে ভৱিষ্যতে তেওঁলোকে সুখী আৰু শান্তিপূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰাৰ সম্ভাৱনা নাই। ইয়াৰ দ্বাৰা কেৱল পক্ষদুটাক সহায় কৰাই নহয়, দুয়োপক্ষৰ নাবালক পুত্ৰৰ স্বাৰ্থতো ই অনুকূল হ'ব। [১৬৭–এফ–জি–এইচ্]**

**২.৩/ মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ সৰ্বমুঠতা বিবেচনা কৰি তলত উল্লেখ কৰা নিৰ্দেশনাবোৰ জাৰি কৰা হয়:**

**(i) এই আদালতত দাখিল কৰা আপোচৰ চৰ্তসমূহ আৰু নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলিবলৈ পক্ষসমূহক নিৰ্দেশ দিয়া হৈছে;**

**(ii) পক্ষসমূহৰ মাজত বিচাৰাধীন হৈ থকা মোকৰ্দমাসমূহ পক্ষসমূহৰ মাজত হোৱা সমাধানৰ প্ৰতি লক্ষ্য ৰাখি নিষ্পত্তি কৰা হয়। [১৬৭–এইচ্; ১৬৮–এ–বি–চি]**

**দেৱানী মূল অধিকাৰক্ষেত্ৰ : বদলি আৱেদন (চি) নং ২২৮/২০০৪ ।**

পশ্চিমবঙ্গৰ বৰচাটস্হিত বিদ্বান জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকা কাজল কুমাৰ ঘোষ বনাম সংঘমিত্ৰা ঘোষ নামৰ ২০০২ চনৰ বৈবাহিক মোকৰ্দমা নং ৪৩৭ বাংগালুৰৰ

যোগ্য অধিকাৰক্ষেত্ৰৰ আদালতলৈ হস্তান্তৰ কৰিবৰ কাৰণে দেৱানী কাৰ্যবিধিৰ ধাৰা ২৫ ৰ অধীনত এই আবেদন।

লগতে

২০০৪ চনৰ টি পি (ফৌজদাৰী) নং ১০৫ আৰু ১৭১ , ২০০৪ চনৰ টি পি (দেৱানী) নং ৭২৭ আৰু ২০০৬ চনৰ টি পি (দেৱানী) নং ১৬৮।

উপস্থিত পক্ষসমূহৰ হৈ অৱনিশ সিনহা, প্ৰেম ৰঞ্জন কুমাৰ, বি. কে. শৰ্মা, হিমাংশু শেখৰ, বিপিন নায়াৰ আৰু শ্ৰীমতী কাজল ঘোষ (মেচাৰ্চ্ছ টেম্পল ল' ফাৰ্মৰ বাবে)।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰিছিল -

সন্মানীয় ন্যায়াধীশ **দলবীৰ ভাণ্ডাৰী, জে.।** আবেদনকাৰীৰ বিবাহ হিন্দু ৰীতি-নীতি তথা পৰম্পৰা অনুসৰি ০৮/১১/১৯৯৯ তাৰিখে প্ৰতিবাদীৰ সৈতে সম্পন্ন কৰা হৈছিল আৰু বিবাহ পঞ্জীয়কৰ ওচৰত যথাযথভাবে পঞ্জীয়ন কৰা হৈছিল। বিবাহৰ পূৰ্বে পক্ষসমূহে ইজনে সিজনক ঘনিষ্ঠভাৱে চিনি পাইছিল আৰু আবেদনকাৰী আৰু প্ৰতিবাদীৰ ইচ্ছা অনুসৰি বিবাহ সম্পন্ন কৰা হৈছিল।

বিবাহৰ জৰিয়তে এটা পুত্ৰ সন্তানৰ জন্ম হৈছিল কিন্তু, পক্ষসমূহৰ বৈবাহিক জীৱন মসৃণ নাছিল। আবেদনকাৰী সংঘমিত্ৰা ঘোষৰ অভিযোগ অনুসৰি, তেঁওৰ স্বামী আৰু স্বামীৰ পিতৃ-মাতৃয়ে তেওঁৰ ওপৰত শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাইছিল। তেওঁৰ মতে, নিৰ্যাতনৰ মাত্ৰা দিনক দিনে বৃদ্ধি হৈ গৈছিল আৰু অৱশেষত ১৪/০১/২০০১ তাৰিখে তেওঁক তেওঁৰ নাবালক সন্তানৰ সৈতে বৈবাহিক গৃহৰ পৰা খেদি পঠিওৱা হৈছিল। তাৰপিছত,

আবেদনকাৰী তেওঁৰ নিজ পিতৃ-মাতৃৰ ঘৰলৈ গুছি গৈছিল আৰু ১৫/০১/২০০১ তাৰিখৰ পৰা তেওঁ পিতৃ-মাতৃৰ লগতে বসবাস কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰতিবাদীয়ে কেতিয়াও আবেদনকাৰী আৰু তেওঁৰ সন্তানৰ বিষয়ে সোধাপোছা কৰাত গুৰুত্ব আৰোপ কৰা নাছিল আৰু আবেদনকাৰী বা তেওঁৰ সন্তানৰ ভৰণ-পোষণৰ বাবেও কেতিয়াও কোনো ধন পঠোৱা নাছিল।

এনে পৰিস্থিতিৰ সন্মুখীন হৈ, তেওঁ যৌতুক নিষেধাজ্ঞা অধিনিয়মৰ ৩ আৰু ৪ নং ধাৰা ও লগতে ভাৰতীয় দণ্ডবিধিৰ ৪৯৮-এ ধাৰাৰ অধীনত ০৪/০৮/২০০২ তাৰিখে এক অপৰাধমূলক অভিযোগ দাখিল কৰিবলৈ বাধ্য হৈছিল।

আবেদনকাৰী পক্ষৰ মতে, তেওঁ সম্পূৰ্ণৰূপে দেউতাকৰ ওপৰত নিৰ্ভৰশীল আছিল, যিজন নিজেই বয়সত বহুত বৃদ্ধ আছিল আৰু কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল আৰু তেওঁৰ চিকিৎসাৰ বাবে যথেষ্ট পৰিমাণে ধন খৰছ কৰিবলগীয়া হৈছিল। এনে পৰিস্থিতিত, আবেদনকাৰী তেঁওৰ পিতৃ-মাতৃৰ ওপৰত অতিৰিক্ত বোজা হৈ পৰিছিল। নিজৰ আৰু সন্তানৰ ৰক্ষণাবেক্ষণৰ হেতু তেওঁ সামান্য দৰমহাত আই চি আই চি আই বেংকত এটা ক্ষুদ্ৰ চাকৰিত যোগদান কৰিছিল। আবেদনকাৰীক তাৰ পিছত বাংগালুৰলৈ বদলি কৰা হৈছিল, পৰিণামস্বৰূপে পশ্চিম বংগৰ আদালতৰ কাৰ্য্যবিধিত উপস্থিত থাকিবলৈ তেওঁৰ বাবে অত্যন্ত কঠিন হৈ পৰিছিল। ই অতি ব্যয় বহুল আৰু সময়সাপেক্ষ । এনে পৰিস্থিতিত, আবেদনকাৰীয়ে প্ৰতিবাদী-স্বামীয়ে দাম্পত্য অধিকাৰ পুনৰুদ্ধাৰ কৰিবৰ বাবে হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ ৯ নং ধাৰাৰ অধীনত দাখিল কৰা ২০০২ চনৰ "কাজল কুমাৰ ঘোষ বনাম সংঘমিত্ৰা ঘোষ" নামৰ বৈবাহিক মোকৰ্দমা নং ৪৩৭ আৰু বৰচাটৰ জিলা ন্যায়াধীশৰ আদালতত

বিচাৰাধীন হৈ থকা বৈবাহিক মোকৰ্দমাটো বাংগালুৰৰ যোগ্য ন্যায়িক আদালতলৈ হস্তান্তৰ কৰিবৰ কাৰণে প্ৰাৰ্থনা জনাই আৱেদন দাখিল কৰিছিল।

২৬/০৩/২০০৪ তাৰিখে ন্যায়ালয়ে বদলি আৱেদনৰ ওপৰত কাৰণ-দৰ্শোৱাৰ জাননী জাৰি কৰে। বদলি আৱেদনৰ উত্তৰ প্ৰতিবাদীয়ে দাখিল কৰিছিল। প্ৰতিবাদীয়ে দিয়া তাৰিখ অনুসৰি হোৱা পৰিঘটনাবোৰৰ ক্ৰমটো আবেদনকাৰীয়ে কোৱা কথাৰ বিপৰীত। প্ৰতিবাদীৰ মতে, আবেদনকাৰীক বৈবাহিক গৃহৰ পৰা খেদি পঠিওৱা হোৱা নাছিল। আচলতে, তাই বৈবাহিক গৃহৰ পৰা নিজে ওলাই আহিছিল। প্ৰতিবাদীয়ে আৰু কয় যে তেঁওলোকৰ মাজত থকা সামাজিক মৰ্য্যদা, শৈক্ষিক আৰু সাংস্কৃতিক পটভূমিৰ মৌলিক পাৰ্থক্য; সহনশীলতাৰ অভাৱ তথা এটা মধ্যবিত্ত পৰিয়ালত থাপ খুৱাই চলিব আৰু জীৱন নিৰ্বাহ কৰিব নোৱাৰাৰ বাবে তেওঁলোকৰ বিবাহ বিচ্ছেদ ঘটিছিল ।

এই আৱেদন বিচাৰাধীন হৈ থকাৰ সময়ছোৱাত, পক্ষদুটাই এক সৌদাহ্যপূৰ্ণ সম্ভাৱ্য সমাধানৰ পথৰ সন্ধান কৰিছে। পক্ষসমূহক তেঁওলোকৰ মাজত থকা মতানৈক্য পাৰস্পৰিক আৰু সৌদাহ্যপূৰ্ণভাৱে সমাধা কৰিবলৈ পৰ্যাপ্ত সময় দিবৰ কাৰণে সময়ে সময়ে বিষয়টো স্থগিত ৰখা হৈছিল। ন্যায়ালয়ে বুজাই দিয়াৰ পিছতো পক্ষ দুটাই তেঁওলোকৰ মাজৰ মতানৈক্য সমাধান কৰিব পৰা নাই আৰু পৃথকে পৃথকে জীৱন নিৰ্বাহ কৰাৰ সিদ্ধান্ত লৈছে। পক্ষসমূহৰ মতে, তেঁওলোকৰ বিবাহ পুনৰুদ্ধাৰ কৰিব নোৱাৰাকৈ ভংগ হৈছে আৰু দুয়োজনৰ পুণৰ মিলন একেবৰে অসম্ভৱ।

পক্ষসমূহৰ বিদ্বান অধিবক্তাই এই মোকৰ্দমাৰ স্বীয় বৈশিষ্ট্যপূৰ্ণ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ বিচ্ছেদৰ এক আজ্ঞপ্তি

প্ৰদান কৰাৰ প্ৰাৰ্থনা জনায়। ১৫/০৯/২০০৬ তাৰিখে পক্ষসমূহে এখন যৌথ আবেদন দাখিল কৰিলে য'ত তেওঁলোকৰ মাজত হোৱা আপোচৰ চৰ্তসমূহ উল্লেখ কৰা হৈছে। আপোচৰ চৰ্তসমূহ তলত উল্লেখ কৰা ধৰণৰ:

"১/ শ্ৰী কাজল ঘোষ/স্বামীয়ে ১০ লাখ টকাৰ ধনৰাশি সম্পূৰ্ণ আৰু চূড়ান্ত সমাধান হিচাপে তেওঁৰ পত্নী শ্ৰীমতী সংঘমিত্ৰা ঘোষক দিবলৈ সন্মত হয়। উক্ত ধনৰাশি শ্ৰী কাজল কুমাৰ ঘোষে আদালতত ডিমাণ্ড ড্ৰাফ্টৰ জৰিয়তে আবেদনকাৰীৰ সপক্ষে প্ৰদান কৰিব।

২/ দুয়োপক্ষই সন্মত হয় যে তেওঁলোকৰ নাবালক পুত্ৰৰ স্থায়ী তত্বাৱধানৰ দায়িত্ব মাতৃ/শ্ৰীমতী সংঘমিত্ৰা ঘোষক দিব।

৩/ অৱশ্যে, পক্ষসমূহে আৰু কয় যে, কাজল ঘোষে পূৰ্ববৰ্তী অনুমতি লৈ পাৰস্পৰিক সুবিধাজনক তাৰিখত আবেদনকাৰীৰ বাসগৃহত শিশুটিক লগ কৰাৰ অধিকাৰৰ গৰাকী হ'ব।

৪/ লগতে দুয়োপক্ষই ইজনে সিজনৰ ওপৰত দাখিল কৰা আৰু কলকাতা আৰু বাংগালুৰৰ বিভিন্ন আদালতত বিচাৰাধীন হৈ থকা মোকৰ্দমাসমূহ ততালিকে প্ৰত্যাহাৰ/বন্ধ কৰিবলৈও সন্মত হয়। এই মোকৰ্দমাসমূহ হ'ল -

(i) পশ্চিমবঙ্গৰ বোপুৰাকস্থিত বিদ্বান এছ ডি এম ন্যায়ালয়ত বিচাৰাধীন হৈ থকা ৰেফাৰেন্স মোকৰ্দমা নং ২১০/২০০২।

(ii) মূখ্য পৰিয়াল ন্যায়াধীশ, বাংগালুৰত বিচাৰাধীন হৈ থকা এম চি নং ৭১৩/২০০৪ ।

(iii) পশ্চিমবঙ্গৰ বোৰাকপুৰস্থিত বিদ্বান পঞ্চম ন্যায়িক দণ্ডাধিকাৰীৰ আদালতত ৰেফাৰেন্স মোকৰ্দমা নং এম ৩১৩/২০০৩ ।

(iv) পশ্চিমবঙ্গৰ বৰচাটস্থিত জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকা বৈবাহিক মোকৰ্দমা নং ৪৩৭/২০০২ ।

(v) বৰচাটস্থিত জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকাঅভিভাৱকত্ব মোকৰ্দমা নং ৬৬/২০০৪।

৫/ দুয়োপক্ষই প্ৰতিশ্ৰুতি দিয়ে যে তেওঁলোকে আপোচৰ চৰ্তসমূহ মানি চলিব আৰু ভৱিষ্যতে তেওঁলোকে কোনো মোকৰ্দমা দাখিল নকৰিব তথা ভবিষ্যতে ইজনে সিজনৰ বিৰুদ্ধে কোনো ধৰণৰ দাবী উত্থাপন নকৰিব।"

এইটো উল্লেখ কৰা প্ৰাসংগিক হ'ব যে ১৬/১০/২০০৬ তাৰিখে প্ৰতিবাদী কাজল কুমাৰ ঘোষে এখন অতিৰিক্ত শপতনামা দাখিল কৰিছিল য'ত পক্ষসমূহৰ মাজত অন্তৰ্নিহিত হৈ থকা বিষয়মূহৰ ওপৰত বিশদ বিৱৰণ উল্লেখ কৰা হৈছে। সেইদিনা, পক্ষসমূহে আপোচৰ বিস্তৃত চৰ্তসমূহো দাখিল কৰিছিল। উক্ত চৰ্ত সমূহ তলত দিয়া ধৰণে উল্লেখ কৰা হৈছে:

"দুয়োটা পক্ষই, যেনে, আৱেদনকাৰী আৰু প্ৰতিবাদীয়ে আপোনা-আপুনি তথা মুক্ত মনেৰে এটা সমাধানত উপনীত হৈছে যিটোক তলত উল্লেখ কৰা ধৰণে লিখিত ৰূপ দিয়া হৈছে:

১/ শ্ৰী কাজল ঘোষ/স্বামীয়ে ১০ লাখ টকাৰ ধনৰাশি সম্পূৰ্ণ আৰু চূড়ান্ত নিষ্পত্তি হিচাপে তেওঁৰ পত্নী শ্ৰীমতী সংঘমিত্ৰা ঘোষক দিবলৈ সন্মত হয়। উক্ত ধনৰাশি শ্ৰী কজাল কুমাৰ ঘোষে তলত উল্লেখিত এলাহাবাদ বেংকত অংকিত ডিমাণ্ড ড্ৰাফ্টবোৰৰ জৰিয়তে আবেদনকাৰীৰ সপক্ষে পৰিশোধ কৰিব:-

(ক) ২,৫০,০০০/- টকাৰ বাবে ১১/০৯/২০০৬ তাৰিখৰ ডি ডি নং ৬৩৪৫১৯।

(খ) ২,৫০,০০০/- টকাৰ বাবে ১১/০৯/২০০৬ তাৰিখৰ ডি ডি নং ৬৩৪৫২০।

(গ) ২,৫০,০০০/- টকাৰ বাবে ১১/০৯/২০০৬ তাৰিখৰ ডি ডি নং ৬৩৪৫২১।

(ঘ) ২,৫০,০০০/- টকাৰ বাবে ১১/০৯/২০০৬ তাৰিখৰ ডি ডি নং ৬৩৪৫২২।

২/ দুয়োপক্ষই আকৌ সন্মত হয় যে তেওঁলোকৰ নাবালক পুত্ৰৰ স্থায়ী তত্বাৱধানৰ দায়িত্ব মাতৃ/শ্ৰীমতী সংঘমিত্ৰা ঘোষক দিব।

৩/ অৱশ্যে, পক্ষসমূহে আৰু কয় যে, কাজল ঘোষে পূৰ্ববৰ্তী অনুমতি লৈ পাৰস্পৰিক সুবিধাজনক তাৰিখত আবেদনকাৰীৰ বাসগৃহত শিশুটিক লগ কৰাৰ অধিকাৰৰ গৰাকী হ'ব।

৪/ বিভিন্ন আদালতত পক্ষদুটাৰ মাজত তলত উল্লেখ কৰা মোকৰ্দমা সমূহ বিচাৰাধীন হৈ আছে। উক্ত মোকৰ্দমা সমূহ হ'ল:-

(i) পশ্চিমবঙ্গৰ বোৰাকপুৰস্থিত বিদ্বান এছ ডি এম ন্যায়ালয়ত বিচাৰাধীন হৈ থকা *ৰেফাৰেন্স মোকৰ্দমা নং ২১০/২০০২* যিটো পত্নী/সংঘমিত্ৰাই যৌতুক

নিষেধাজ্ঞা অধিনিয়মৰ ৩ আৰু ৪ নং ধাৰাৰ লগতে ভাৰতীয় দণ্ডবিধিৰ অধীনস্থ ধাৰা ৪৯৮-এ অধীনত দাখিল কৰিছে ।

*টি পি (অপৰাধী) নং ১৭১/২০০৪* যিটো পত্নীয়ে উক্ত সন্মানীয় ন্যায়ালয়ত দাখিল কৰিছিল, সেইটো উক্ত কাৰ্যবিধিসমূহৰ পৰাই উদ্ভৱ হৈছে।

(ii) বেংগালুৰৰ মূখ্য ন্যায়াধীশৰ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা এম চি নং ৭১৩/২০০৪ যিটো হিন্দু বিবাহ অধিনিয়মৰ অন্তৰ্গত ধাৰা ১৩ (১) (ক) আৰু (খ) ৰ অধীনত বিবাহ বিচ্ছেদৰ অনুমোদনৰ বাবে পত্নীয়ে দাখিল কৰিছে।

*টি পি (দেৱানী) নং ৭২৭/২০০৪* যিটো স্বামীয়ে উক্ত সন্মানীয় ন্যায়ালয়ত দাখিল কৰিলে, সেইটো উক্ত কাৰ্যবিধিসমূহৰ পৰাই উদ্ভৱ হৈছে।

(iii) পশ্চিমবঙ্গৰ বোৰাকপুৰস্থিত বিদ্বান পঞ্চম ন্যায়িক দণ্ডাধিকাৰীৰ আদালতত বিচাৰাধীন হৈ থকা চিআৰ. পি. চি. ৰ ধাৰা ১২৫ ৰ অধীনত ভৰণ-পোষণৰ বাবে পত্নীয়ে দাখিল কৰা *ৰেফাৰেন্স মোকৰ্দমা নং এম-৩১৩*/২০০৩।

*টি পি (অপৰাধী) নং ১০৫/২০০৪* যিটো পত্নীয়ে উক্ত ন্যায়ালয়ত দাখিল কৰিছিল, সেইটো উক্ত কাৰ্যবিধিসমূহৰ পৰাই উদ্ভৱ হৈছে।

(iv) পশ্চিমবঙ্গৰ বৰচাটস্থিত জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকা দাম্পত্য অধিকাৰ পুনৰুদ্ধাৰ কৰিবৰ কাৰণে হিন্দু বিবাহ অধিনিয়মৰ

অন্তৰ্গত ধাৰা ৯ ৰ অধীনত স্বামীয়ে দাখিল কৰা বৈবাহিক মোকৰ্দমা নং ৪৩৭/২০০২।

*টি পি (দেৱানী) নং ২২৮/২০০৪* যিটো স্বামীয়ে উক্ত ন্যায়ালয়ত দাখিল কৰিছে , সেইটো উক্ত কাৰ্যবিধিসমূহৰ পৰাই উদ্ভৱ হৈছে।

(v) পশ্চিমবঙ্গৰ বৰচাটস্থিত জিলা ন্যায়াধীশৰ আদালতত বিচাৰাধীন হৈ থকা তত্বাৱধানৰ বাবে অভিভাৱক আৰু ৱাৰ্ড অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ ৰ অধীনত স্বামীয়ে দাখিল কৰা *অভিভাৱকত্ব মোকৰ্দমা নং ৬৬/২০০৪*।

*টি পি (দেৱানী) নং ১৬৮/২০০৬* যিটো পত্নীয়ে উক্ত ন্যায়ালয়ত দাখিল কৰিছে, সেইটো উক্ত কাৰ্যবিধিসমূহৰ পৰাই উদ্ভৱ হৈছে।

৫/ দুয়োটা পক্ষই উক্ত ন্যায়ালয়ত পক্ষ দুটাৰ হকে সম্পূৰ্ণ ন্যায় প্ৰতিষ্ঠাৰ হেতু উক্ত ন্যায়ালয়ে নিজৰ সমস্ত ক্ষমতা প্ৰয়োগ কৰি তথা সমাধানৰ প্ৰতি লক্ষ্য ৰাখি বাকী থকা সকলো কাৰ্যবিধি বাতিল/বন্ধ কৰাৰ বাবে বিনম্ৰভাৱে অনুৰোধ জনাইছে কাৰণ পক্ষ দুটাই মামলা আৰু অধিক আগবঢ়াই নিয়াত ইচ্ছা প্ৰকাশ কৰা নাই।

৬/ দুয়োপক্ষই এই ন্যায়ালয়ত বিচাৰাধীন হৈ থকা সকলো বদলি আৱেদন (যিদৰে দফা ৪ ত পূৰ্বতে উল্লেখ কৰা হৈছে) ফলহীন বুলি খাৰিজ কৰাৰ বাবে বিনম্ৰভাৱে অনুৰোধ জনাইছে।

৭/ দুয়োপক্ষই দাবী কৰে যে তেওঁলোকৰ বিবাহ পুনৰুদ্ধাৰ কৰিব নোৱাৰাকৈ ভাঙি গৈছে আৰু দুয়োপক্ষই পুনৰ সহবাস কৰাৰ কোনো সম্ভাৱনা নাই। এনে পৰিস্থিতিত,

এই ন্যায়ালয়ক নিজৰ ক্ষমতা প্ৰয়োগ কৰি পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ বিচ্ছেদ কৰিবৰ বাবে এটি আজ্ঞপ্ত প্ৰদান কৰিবলৈ বিনম্ৰভাৱে অনুৰোধ জনাব।

৮/ দুয়োপক্ষই প্ৰতিশ্ৰুতি দিয়ে যে তেঁওলোকে আপোচ/সমাধানৰ চৰ্ত সমূহ মানি চলিব আৰু আগলৈ অধিক মামলা দাখিল নকৰিব আৰু ইয়াৰ পিছত ইজনে সিজনৰ বিপক্ষে কোনো ধৰণৰ দাবী উত্থাপন নকৰিব।"

পক্ষসমূহৰ হৈ উপস্থিত হোৱা বিদ্বান অধিবক্তাই স্বীয় বৈশিষ্টপূৰ্ণ তথ্য আৰু পৰিস্থিতিত আৰু ন্যায়ৰ স্বাৰ্থত এই আদালতে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত নিজৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি পাৰস্পৰিক সন্মতিৰ জৰিয়তে বিবাহ বিচ্ছেদৰ বাবে এটা আজ্ঞপ্তি প্ৰদান কৰাৰ প্ৰাৰ্থনা জনায়।

পক্ষসমূহৰ বিদ্বান অধিবক্তাই *হৰপ্ৰীত সিং আনন্দ বনাম পশ্চিমবংগ ৰাজ্য [২০০৪] ১০ এছ চি চি ৫০৫* গোচৰৰ ওপৰত প্ৰদান কৰা সিদ্ধান্তৰ প্ৰতিও এই ন্যায়ালয়ৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই ক্ষেত্ৰত, প্ৰায় একে পৰিস্থিতিত, এই ন্যায়ালয়ে পক্ষসমূহৰ মাজত হোৱা সকলো মামলাৰ অন্ত পেলাবলৈ আৰু আগলৈ আন কোনো মামলা দাখিল কৰাৰ আসোঁৱাহ নাৰাখিবলৈ আৰু উক্ত পক্ষসমূহৰ অনুৰোধত, সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত থকা ক্ষমতা প্ৰয়োগ কৰি, পাৰস্পৰিক সন্মতিৰ জৰিয়তে বিবাহ-বিচ্ছেদ কৰিবলৈ এক ডিক্ৰি প্ৰদান কৰে।

*কাঞ্চন দেৱী বনাম প্ৰমোদ কুমাৰ মিত্তল [১৯৯৬] ৮ এছ চি চি ৯০* মোকৰ্দমাত, য'ত বিয়াখন পুনৰুদ্ধাৰ কৰিব নোৱাৰাকৈ ভাঙি গৈছিল, এই আদালতে ভাৰতীয় সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগ কৰিছিল আৰু তলত দিয়া আদেশ গৃহীত কৰিছিল:

"৬. মোকৰ্দমাৰ স্বীয় বৈশিষ্টপূৰ্ণ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আৰু আপীলকাৰী আৰু প্ৰতিবাদীৰ মাজৰ বিবাহ পুনৰুদ্ধাৰ হ'ব নোৱাৰাকৈ ভংগ হোৱাৰ লগতে মিলনৰ কোনো সম্ভাৱনা নাই বুলি সন্তুষ্ট হৈ, আমি ভাৰতীয় সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত আমাৰ ক্ষমতা প্ৰয়োগ কৰি ইয়াৰ দ্বাৰা নিৰ্দেশ প্ৰদান কৰোঁ যে বিবাহ বিচ্ছেদৰ এক আজ্ঞপ্তিৰ জৰিয়তে আপীলকাৰী আৰু প্ৰতিবাদীৰ মাজৰ বিবাহ ইমানতে ভংগ হয়। চিআৰ পি চিৰ ধাৰা ১২৫ ৰ অধীনত বৈবাহিক কাৰ্যবিধিৰ পৰা উদ্ভৱ হৈ পক্ষ দুটাৰ মাজত চলি থকা সকলো মোকৰ্দমা ইমানতে নিষ্কাশন কৰা হয় আৰু এই আদেশৰ যিয়ে সমাধানৰ ক্ষেত্ৰত থকা সকলোবোৰ বিবাদ নিষ্পত্তি কৰিছে, তাৰ একোটাকৈ প্ৰতিলিপি যিকোনো এটা পক্ষৰ দ্বাৰা যথাক্ৰমে নিজ নিজ আদালতৰ অভিলেখলৈ প্ৰেৰণ কৰা হয়। ওপৰৰ চৰ্ত সমূহৰ ভিত্তিত এই আপীল নিষ্পত্তি কৰা হয়।"

*অশোক হুৰৰা বনাম ৰূপা বিপিন জাভেৰি [১৯৯৭] ৪ এছ চি চি* ২২৬ গোচৰত এই আদালতে বৈবাহিক বিষয় এটাৰ লগত মোকাবিলা কৰাৰ সময়ত হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ *"বিবাহ পুনৰুদ্ধাৰঅযোগ্য বিচ্ছেদ"* ৰ ওপৰত ৭/৪/১৯৭৮ তাৰিখে ভাৰতীয় আইন আয়োগৰ একসত্তৰ নং প্ৰতিবেদনৰ কিছু অংশ উদ্ধৃত কৰিছিল। আমি উক্ত প্ৰতিবেদনৰ কিছুমান উদ্ধৃতি তলত দিয়া ধৰণে পুনৰোৎপাদন কৰাটো উপযুক্ত বুলি বিবেচনা কৰোঁ:

"বিবাহ পুনৰুদ্ধাৰ অযোগ্য বিচ্ছেদক এতিয়া বহুকেইখন দেশৰ আইনত বিবাহ বিচ্ছেদৰ আজ্ঞপ্তি প্ৰদান কৰিবলৈ আৰু বিবাহ ভংগ কৰাৰ এটা ভাল ভিত্তি বুলি গণ্য কৰা হয়।"

* * *

এনে বিচ্ছেদৰ প্ৰমাণ হ'ব যে স্বামী-স্ত্ৰী বিছেদ হৈ, ধৰক, পাঁচ-দহ বছৰ ধৰি পৃথকে পৃথকে বাস কৰি আছে আৰু বিবাহ পুনৰুত্থান কৰা বা পক্ষ দুটাক পুনৰ একত্ৰিত কৰাটো অসম্ভৱ হৈ পৰিছে। কোৱা হয় যে এবাৰ বিবাহৰ সফলতাৰ কোনো আশা নাই বুলি গম পোৱাৰ পিছত আইনী বান্ধোন টানি লোৱাটোৱে স্বামী-স্ত্ৰীৰ ওপৰত নিষ্ঠুৰতা হিচাপে কাম কৰে আৰু অপৰাধৰ জন্ম দিয়ে তথা আনকি বিবাহ বাতিল লাভ কৰিবৰ কাৰণে ধৰ্মৰ অপব্যৱহাৰ কৰাকো বুজায়।

*        *        *

বিবাহ বিচ্ছেদৰ কাৰণ হিচাপে পুনৰুদ্ধাৰ অযোগ্য ভাঙনক প্ৰৱৰ্তন কৰাৰ তাত্বিক ভিত্তিটো হ'ল এক ভিত্তি যাৰ সৈতে, এতিয়ালৈকে, অধিবক্তা তথা আন লোকসকল পৰিচিত হৈ পৰিছে। বিবাহ বিচ্ছেদৰ কাৰণটো কোনো নিৰ্দিষ্ট অপৰাধ বা বৈবাহিক অক্ষমতাৰ মাজত সীমাবদ্ধ কৰি ৰখাটোৱে সেই ক্ষেত্ৰত অন্যায়ৰ সৃষ্টি কৰে য'ত পৰিস্থিতি এনেকুৱা হৈ পৰে যে যদিও কোনো পক্ষৰ দোষ নাই, বা দোষটো এনেকুৱা ধৰণৰ যে বিবাহিত পক্ষসমমূহে তাক প্ৰকাশ কৰিব নোৱাৰে, তথাপিও এনে পৰিস্থিতিৰ সৃষ্টি হয় য'ত বিবাহখন ৰক্ষা কৰিব পৰা নাযায়। বিবাহখনত তাৰ সকলো বাহ্যিক ৰূপ আছে যদিও বাস্তৱত কোনোটোৱেই নাই। প্ৰায়ে কোৱাৰ দৰে বিবাহখন মাথো এটা খোলাহে যাৰ ভিতৰৰ পদাৰ্থটো নোহোৱা হৈ গৈছে। কোৱা হৈছে যে এনে পৰিস্থিতিত, বিবাহক মুখাৱয়ব হিচাপে ৰখাৰ আৰু কোনো উপযোগিতা নাই, যেতিয়া বিবাহৰ আবেগিক আৰু অন্যান্য মূল ভেঁটিসমূহ নোহোৱা হৈ গৈছে।

বাস্তৱত বিবাহৰ অস্তিত্ব তথা বিবাহখন শেষ হোৱাৰ পিছত বিবাহ বিচ্ছেদ অস্বীকাৰ কৰাৰ কোনো কাৰণ নাই। পক্ষদুটাইহে সিদ্ধান্ত ল'ব পাৰে যে তেওঁলোকৰ পাৰস্পৰিক সম্পৰ্কই

তেঁওলোকে বিচৰা ধৰণে পূৰ্ণতা লাভ কৰে নে নাই। বিবাহ বিচ্ছেদক সমাধানৰ আৰু কঠিন পৰিস্থিতিৰ পৰা ওলাই অহাৰ এটা পথ হিচাপে বিবেচনা কৰিব লাগে। এনে বিবাহ অতীতৰ ভুলৰ প্ৰতি চিন্তিত নহয়, কিন্তু পৰিৱৰ্তিত পৰিস্থিতিত, তেঁওলোকে নিজৰ সম্পৰ্ক নিয়ন্ত্ৰণ কৰিব পৰা আটাইতকৈ সন্তোষজনক ভিত্তিটো উলিয়াই নতুন পৰিস্থিতি আৰু উন্নয়নৰ সৈতে পক্ষ আৰু শিশুসকলক একত্ৰিত কৰাৰ প্ৰতিহে চিন্তিত।

*　　　　*　　　　*

তদুপৰি, বিবাহৰ সাৰমৰ্ম হ'ল উমৈহতীয়া জীৱনৰ ভাগ-বতৰা, জীৱনে আগবঢ়োৱা সকলো সুখ আৰু জীৱনত সন্মুখীন হ'বলগীয়া সকলো দুখ-কষ্টৰ ভাগ-বতৰা, উমৈহতীয়া বস্তুবোৰ উপভোগ কৰি পোৱা আনন্দৰ অভিজ্ঞতা, বিষয় আৰু আত্মা তথা নিজৰ সন্তানৰ মাজত বিলাই দিয়া মৰম-স্নেহ আৰু মমতা। একেলগে জীৱন নিৰ্বাহ কৰাটো উপৰোক্ত সকলো দিশতে এনে ভাগ-বতৰা হোৱাৰ প্ৰতীক। পৃথকে পৃথকে বাস কৰাটো এনে ভাগ-বতৰাৰ অস্বীকাৰ কৰাৰ ইংগিত দিয়াৰ এক প্ৰতীক। যদি কোনো বিবাহৰ দীৰ্ঘদিন ধৰি অৱনতি ঘটে য’ত ইয়াৰ অত্যাৱশ্যকীয় গুণবোৰ উল্লেখযোগ্যভাৱে আপোচ কৰা হয়, ই অপৰিৱৰ্তনীয় বিচ্ছেদৰ এটা পৰ্যায়ত উপনীত হ’ব পাৰে, য’ত বিবাহটো পুনৰুদ্ধাৰ কৰিব নোৱাৰি।

বৈবাহিক বিষয়বোৰত সম্পূৰ্ণ ন্যায় প্ৰতিষ্ঠা কৰিবলৈ এই আদালতে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত নিজৰ বিশেষ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰাত অকণো দ্বিধাবোধ কৰা নাই। এই সত্যটো বুজাবলৈ তলত কিছুমান নিৰ্ধাৰিত বৈবাহিক মোকৰ্দমাৰ উল্লেখ কৰা হৈছে।

*স্বাতী বৰ্মা বনাম ৰাজন বৰ্মা আৰু অন্যান্য, [২০০৪] ১ এছ চি চি ১২৩* গোচৰত এই ন্যায়ালয় এক নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হয় যে পক্ষসমূহৰ মাজৰ বিবাহ অপ্ৰত্যাৱৰ্তনীয়ভাৱে

ভংগ হৈছে আৰু ভাল সম্পৰ্ক পুনৰুদ্ধাৰ কৰাৰ হেতু আৰু তেওঁলোকৰ মাজত চলি থকা সকলো মামলাৰ অন্ত পেলাবলৈ তথা ভৱিষ্যতে এনে কোনো গোচৰ পুনৰ দাখিল কৰাৰ পৰা বিৰত ৰখাৰ উদ্দেশ্যে, যাতে তেঁওলোকে শান্তিপূৰ্ণ ভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে, এই আদালতে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত নিজৰ ক্ষমতা প্ৰয়োগ কৰাৰ সময়ত পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ বিচ্ছেদৰ এক আজ্ঞপ্তি প্ৰদান কৰে।

এই আদালতে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত থকা নিজৰ বিশেষ ক্ষমতা প্ৰয়োগ কৰাৰ সময়ত [১৯৯৭] ১১ এছ চি চি ৮১ ত প্ৰতিবেদন দিয়া *মাধুৰী বৰ্মা বনাম মীট বৰ্মা* শীৰ্ষক মোকৰ্দমাৰ এখন বদলি আবেদনত তলত দিয়া ধৰণে পৰ্যৱেক্ষণ কৰিছিল:

> "এই বদলি আবেদনৰ শুনানিৰ সময়ত পক্ষসমূহে যৌথভাবে হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ অন্তৰ্গত ১৩-বি ধাৰা অনুসৰি আমাৰ সন্মুখত পাৰস্পৰিক সন্মতিৰ সৈতে তেওঁলোকৰ বিবাহ ভংগৰ বাবে প্ৰাৰ্থনা জনাই আৱেদন কৰিছে আৰু আবেদনৰ মূখ্য অংশত তেওঁলোকৰ একমাত্ৰ সন্তানৰ হকে এক ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। যদিও শিশুটিক ইচ্ছা অনুসৰি যেতিয়াই সি বিচাৰে তেতিয়াই পিতৃৰ ওচৰলৈ যোৱাৰ অধিকাৰ প্ৰদান কৰা হৈছে, কিন্তু পিতৃ গৰাকীৰ লগত তেওঁৰ সন্তানক লগ কৰাৰ তেনে কোনো অনুৰূপ অধিকাৰ নাই। তেনে অৱস্থাই পিতৃ আৰু শিশুটিৰ অধিকাৰসমূহ খৰ্ব কৰিব। সেইবাবে, স্বামীয়ে নিজৰ সন্তানক চোৱাৰ অধিকাৰ লাভ কৰে, কিন্তু মাতৃক যথাযথ ভাবে অৱগত কৰাৰ পিছতহে পাৰিব। পক্ষসমূহে ১৯৯৬ চনৰ জানুৱাৰী মাহৰ পৰা বিচ্ছিন্ন আৰু পৃথক হৈ আছে। বৰ্তমান অৱস্থাৰ পূৰ্বেই পক্ষসমূহৰ পূৰ্বৰ বিবাহ ভংগ বা বিঘ্নিত হৈছিল। স্বামী গৰাকীয়ে বাহন দুৰ্ঘটনাত তেওঁৰ পত্নীক হেৰুৱাইছিল আৰু পত্নীয়ে তেওঁৰ পূৰ্বৰ স্বামীৰ সৈতে বিবাহ বিচ্ছেদ কৰিছিল। এই পটভূমিত তেওঁলোকৰ

মাজৰ পাৰ্থক্য ভালদৰে উপলব্ধি কৰিব পাৰি যেতিয়া দুয়োজনেই একোজনকৈ উচ্চ শিক্ষিত চিকিৎসক। সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি, আমি এই আৱেদন গ্ৰহণ কৰোঁহক আৰু সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত আমাৰ ক্ষমতা প্ৰয়োগ কৰি পাৰস্পৰিক সন্মতিৰ সৈতে তেওঁলোকক বিবাহ বিচ্ছেদৰ আজ্ঞা প্ৰদান কৰোঁহক, যাৰ বাবে পূৰ্বৰ সিদ্ধান্তত প্ৰতিফলিত হোৱাৰ দৰে এই ন্যায়ালয়ৰ যথেষ্ট কৰ্তৃত্ব আছে। এই আদেশৰ দ্বাৰা পাটনাৰ পৰিয়াল ন্যায়ালয়ত বিচাৰাধীন হৈ থকা বিবাহ-বিচ্ছেদৰ আৱেদন আপোনা-আপুনি নিষ্পত্তিত হ'ব।

সেই অনুসৰি বদলিৰ আবেদন আৰু বিবাহ-বিচ্ছেদৰ আৱেদন নিষ্পত্তি কৰা হয়।"

*অনিতা সবৰৱাল বনাম অনিল সবৰৱাল [১৯৯৭] ১১ এছ চি চি ৪৯০* গোচৰত বৈবাহিক বিষয়ৰ আন এখন বদলিৰ আৱেদনত, এই ন্যায়ালয়ে এই মতামত দিছিল যে পক্ষসমূহে একেলগে বাস কৰাৰ কোনো আশা নাই আৰু সেয়ে তলত উল্লেখ কৰা আদেশ প্ৰদান কৰিছিল:

"প্ৰতিবাদী-স্বামীয়ে দাখিল কৰা এইচ্ এম এ মোকৰ্দমা নং ৮৬০/১৯৯৪ এখন বিবাহ বিচ্ছেদৰ আবেদন দিল্লীৰ অতিৰিক্ত জিলা ন্যায়াধীশ শ্ৰী এ. কে. পাঠকৰ আদালতত বিচাৰাধীন হৈ আছিল। উক্ত মোকৰ্দমাটো মুম্বাইৰ পৰিয়াল আদালতলৈ স্থানান্তৰ কৰিব বিচাৰি আবেদনকাৰী পত্নীগৰাকীয়ে তৎক্ষণাত বদলিৰ আৱেদন দাখিল কৰে। বদলি আবেদন স্থগিত ৰখাৰ সময়ত পক্ষসমূহৰ লগতে তেওঁলোকৰ অধিবক্তাই ৯/৯/১৯৯৬ তাৰিখে অভিলেখত এখন আপোচ চুক্তিৰ অৱতাৰণা কৰিছিল যাৰ

জৰিয়তে তেওঁলোকে পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ বিচ্ছেদ কৰিবলৈ সন্মত হৈছিল। কঠোৰভাৱে ক'বলৈ গ'লে এনে দাবী পূৰ্বতে নিৰ্ধাৰণ কৰা হোৱা নাই যিহেতু হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫ ৰ অন্তৰ্গত ধাৰা ১৩-বিৰ অধীনত প্ৰথম বৈবাহিক ন্যায়ালয়ত কোনো আবেদন দাখিল কৰা হোৱা নাই, আৰু আনকি ইয়াৰ বিধিগত সময়সীমা ৬ মাহৰ আৰম্ভণিও হোৱা নাই। অমি এইচ্ এম এ মোকৰ্দমা নং ৮৬৩/১৯৯৪ মূল ফাইলটো আদালতলৈ তলব কৰাৰ পিছত এইটো নিঃসন্দেহে প্ৰতিৰ্ষ্ঠিত যে পক্ষসমূহে প্ৰায় ১৪ বছৰৰ আগতে বিবাহপাশত আৱদ্ধ হৈছিল; তেওঁলোকে জীৱনৰ মূল্যৱান সময়খিনি তিক্ততা আৰু গোচৰ-মামলাৰ মাজত কটায় আৰু সেইটোৱেই হৈছে সময় যেতিয়া তেওঁলোকৰ পাৰস্পৰিকতাই তেওঁলোকক পৃথক কৰাত কিছু পৰিমাণে অৰিহণা যোগায়। গতিকে আমি বিবাহ বিচ্ছেদৰ আবেদন এইচ্ এম এইচ্ এম এ মোকৰ্দমা নং ৮৬৩/১৯৯৪ নিজৰ ফাইলত লওঁহক আৰু অভিলেখত পক্ষসমূহে যৌথভাবে ৰখা আপোচৰ চুক্তিখন এই গোচৰৰ নথিত সংলগ্ন কৰোঁহক। তাৰ ওপৰত ভিত্তি কৰি ২ লাখ, ২ লাখ আৰু ৩ লাখ টকাৰ ৩ টা পৃথক পৃথক বেংক ড্ৰাফ্টৰ জৰিয়তে পত্নী গৰাকীক ৭ লাখ টকাৰ এক ধনৰাশি প্ৰদান কৰা হয়। তাত তেওঁলোকৰ সন্তানৰ শিক্ষা আৰু পিতৃক দেখা কৰাৰ অধিকাৰৰ বাবে পুনৰাবৃত্তিমূলক ব্যৱস্থাও সন্নিৱিষ্ট কৰা হৈছে। আমি পক্ষসমূহক প্ৰশ্ন কৰিছিলো আৰু গম পালো যে তেওঁলোকে বৈবাহিক সম্পৰ্ক ভংগ কৰিবলৈ খুবেই আগ্ৰহী যাতে তেঁওলোকে সময়মতে নিজৰ জীৱনটো পুনৰ ভালদৰে সাজি ল'ব পাৰে। আমি, সেয়েহে, অধিনিয়মৰ অন্তৰ্গত ১৩-বি ধাৰাটোৰ উদ্যমত, আৰু তেওঁলোকক একত্ৰিত কৰাৰ আশা শেষ হোৱাৰ পৰিপ্ৰেক্ষিতত, পক্ষসমূহক তেওঁলোকৰ দীৰ্ঘদিনীয়া দুখৰ অন্ত

পেলাবলৈ পাৰস্পৰিক সন্মতিৰ সৈতে বিবাহ ভংগৰ আজ্ঞপ্তি প্ৰদান কৰি ইয়াৰ দ্বাৰা বিবাহ বিচ্ছেদৰ বাবে অনুমতি প্ৰদান কৰোঁহক। সেই অনুসৰি আদেশ প্ৰদান কৰা হয়। বদলিৰ আবেদনো নিষ্পত্তি কৰা হয়।"

আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ যুক্তিবোৰ শুনিলো। এই ন্যায়ালয়ে সময়ে সময়ে কাৰ্য্যবিধিবোৰ স্থগিত ৰাখিছিল যাতে পক্ষ দুটাৰ মাজত পুনৰ মিলন হৈ বিভেদ বোৰ দূৰ কৰাটো নিশ্চিত কৰিব পৰা যায়, কিন্তু সেইটো নহ'ল। এইটো আচলতে ন্যায়ালয় আৰু সংশ্লিষ্ট সকলোৰে দায়িত্ব যে বিবাহৰ অৱস্থা/মৰ্য্যদা যিমানদূৰ সম্ভৱ, যিমান দীঘল সম্ভৱ আৰু যেতিয়াই সম্ভৱ বৰ্তাই ৰখা উচিত। কিন্তু উক্ত ন্যায়ালয়ে *নবীন কোহলী বনাম নীলু কোহলী [২০০৬] ৪ এছ চি চি ৫৫৮* গোচৰত শেহতীয়াকৈ প্ৰদান কৰা ৰায়টোত পৰ্যৱেক্ষণ কৰিছে যে, যেতিয়া এখন বিবাহৰ সম্পূৰ্ণ ৰূপে মৃত্যু হয়, তেনে পৰিস্থিতিত, পক্ষসমূহক চিৰ দিনৰ বাবে বিবাহৰ বন্ধনত, যি বিবাহৰ দৰাচলতে অস্তিত্ব নোহোৱা হৈ গৈছে, বান্ধি ৰাখিবলৈ চেষ্টা কৰিলে একো লাভ নহয়।

উক্ত মোকৰ্দমাটোত আমি সম্পূৰ্ণ ৰূপে নিশ্চিত হওঁ যে স্বভাৱৰ অসংগতিৰ কাৰণে পক্ষসমূহৰ মাজৰ বিবাহ পুনৰুদ্ধাৰঅযোগ্য ভাৱে ভংগ হৈছে। আচলতে বিবাহখনত আৱেগিক তলৰ স্তৰ সম্পূৰ্ণ ৰূপে নাইকিয়া হৈ পৰিছে। পক্ষসমূহৰ মাজৰ বৈবাহিক বন্ধন মেৰামতিৰ বাহিৰত। পক্ষসমূহৰ মাজৰ বিবাহ কেৱল নামমাত্ৰহে। বিবাহখন উদ্ধাৰৰ আশাৰ বাহিৰত ধ্বংস হৈ গৈছে, সেয়েহে, সংশ্লিষ্ট জনস্বাৰ্থ আৰু স্বাৰ্থ হ'ল সত্যটোক স্বীকৃতি দিয়া আৰু নবীন কোহলীৰ মোকৰ্দমাত (উপৰোক্ত) পৰ্যৱেক্ষণ কৰাৰ দৰে বিবাহখন ইতিমধ্যে ত্ৰুটিযুক্ত হৈ নাশ হোৱা বুলি ঘোষণা কৰা।

এই মোকৰ্দমাৰ স্বীয় বৈশিষ্ট্যমণ্ডিত তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, আমি সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত এই আদালতৰ অধিকাৰক্ষেত্ৰ প্ৰয়োগ কৰাটো উপযুক্ত বুলি বিবেচনা কৰোঁহক।

ভবিষ্যতে যাতে পক্ষসমূহে শান্তিপূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে, তাৰবাবে পক্ষসমূহৰ মাজত বিচাৰাধীন হৈ থকা সকলো মোকৰ্দমা নিষ্পত্তি কৰিবলৈ নিৰ্দেশ দিয়াটো অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। আমাৰ বিবেচিত মতামত অনুসৰি, যদিহে বিচাৰাধীন হৈ থকা সকলো মোকৰ্দমাৰ নিষ্পত্তি কৰা নহয় আৰু আমি পক্ষসমূহৰ মাজৰ মামলাৰ ক্ষেত্ৰত কোনো নিস্তব্ধতা স্থাপন নকৰোঁ, তেন্তে ভবিষ্যতে তেওঁলোকে সুখী আৰু শান্তিপূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰাৰ সম্ভাৱনা নাই। আমাৰ দৃষ্টি মতে, ইয়াৰ দ্বাৰা কেৱল পক্ষদুটাক সহায় কৰাই নহয়, দুয়োপক্ষৰ নাবালক পুত্ৰৰ স্বাৰ্থটো ই অনুকূল হ'ব।

মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ সৰ্বমুঠতা বিবেচনা কৰি আমি তলত উল্লেখ কৰা চৰ্তাৱলীৰ সৈতে এটা আদেশ প্ৰদান কৰাটো উপযুক্ত বুলি বিবেচনা কৰোঁ:

(ক) এই ন্যায়ালয়ত দাখিল কৰা আপোচৰ চৰ্ত সমূহ আৰু লগতে এই ন্যায়ালয়ে গৃহীত কৰা আদেশ আৰু নিৰ্দেশনা সমূহ কঠোৰভাৱে মানি চলিবলৈ পক্ষসমূহক নিৰ্দেশ প্ৰদান কৰা হৈছে;

(খ) আমি নিৰ্দেশ প্ৰদান কৰোঁ যে পূৰ্বৰ দফাসমূহত সন্নিৱিষ্ট কৰা মতে পক্ষসমূহৰ মাজত বিচাৰাধীন হৈ থকা মোকৰ্দমা সমূহ পক্ষসমূহৰ মাজত হোৱা সমাধানৰ প্ৰতি লক্ষ্য ৰাখি নিষ্পত্তি কৰা হওক; আৰু

(গ) পক্ষসমূহৰ মাজৰ বৈবাহিক কাৰ্য-বিধিবোৰৰ পৰা উদ্ভৱ হোৱা দাম্পত্য অধিকাৰ পুনৰুদ্ধাৰ আৰু অভিভাৱকত্ব মোকৰ্দমাকে ধৰি সকলো চলিত মোকৰ্দমা নিষ্পত্তি কৰা হ'ল আৰু পক্ষদুটাৰ মাজৰ যিকোনো এটা পক্ষৰ দ্বাৰা এই আদেশৰ একোখনকৈ প্ৰতিলিপি, যিয়ে সকলো বিবাদ সমাধানৰ ক্ষেত্ৰত সহায় কৰিছে, নিজ নিজ আদালতৰ অভিলেখলৈ প্ৰেৰণ কৰা হওক।

এনেদৰে, উক্ত বদলিৰ আবেদন সমূহ নিষ্পত্তি কৰা হয়। মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি, পক্ষসমূহক তেওঁলোকৰ নিজৰ খৰছ নিজে বহন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হ'ল।

এছ. কে. এছ. আবেদন নিষ্পত্তি কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া বৰা

পৰীক্ষক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক